**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2025
**Time:** 1340 Hrs

***Assamese Midday Bulletin***
HEADLINES

ooooooooo

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি সংবিধান দিৱস উপলক্ষে নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত সংবিধানৰ প্ৰস্তাৱনা পাঠৰ গুৰি ধৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেলেংগানাত ভাৰতীয় চাফৰাণ বিমান ইঞ্জিন সেৱা SAESIৰ শুভাৰম্ভ কৰে।

৩। ২৬ নবেম্বৰত সংঘটিত মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ আজি সপ্তদশ বৰ্ষপূৰ্তি। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি দেশৰ জনসাধাৰণৰ সুৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ সৈনিকসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

***আৰু***

৪। ভাৰত-বাংলাদেশ সীমান্তৰ অসম সংলগ্ন ২৬৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ২২৮ দশমিক ৫-৪ অংশত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি সংবিধান দিৱস উপলক্ষে নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত সংবিধানৰ প্ৰস্তাৱনা পাঠৰ গুৰি ধৰে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে কয়, যে সংবিধান ৰাষ্ট্ৰীয় পৰিচয়ৰ ভেটিস্বৰূপ আৰু ই ৰাষ্ট্ৰক ঔপনিৱেশিক মানসিকতাক পৰিহাৰ কৰি ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে আগুৱাই লৈ যোৱাৰ পথ প্ৰদৰ্শক পৰিকাঠামো। তেওঁ কয়, যে সংবিধানে জনসাধাৰণৰ আশা-আকাংক্ষাৰ অভিব্যক্তিৰ বাবে ফলপ্ৰসূ পৰিকাঠামো প্ৰদান কৰে। তেওঁ লগতে কয়, যে ভাৰতীয় সাংসদ বিশ্বৰ ভালেসংখ্যক দেশৰ বাবে নিদৰ্শনস্বৰূপ। তেওঁ কয়, যে বিগত দশকত সংসদে জনসাধাৰণৰ আশা-আকাংক্ষ্যা কিদৰে পূৰণ কৰিব পাৰি, সেয়া দেখুৱাইছে। সংবিধান প্ৰণেতাসকলে সংবিধানৰ জৰিয়তে জনসাধাৰণৰ সমূহীয়া আৰু ব্যক্তিগত মৰ্য্যাদা সুৰক্ষিত কৰিব বিচাৰিছিল বুলি শ্ৰীমতী মুৰ্মুৰে মন্তব্য কৰে।

অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে সংবিধান দেশৰ স্বাধীনতাৰ বাবে যুঁজ দিয়া লাখ লাখ লোকৰ সমূহীয়া জ্ঞান, বলিদান আৰু সপোনৰ প্ৰতীক। তেওঁ কয়, যে মহান বিদ্বান, খচৰা কমিটি আৰু সংবিধান সভাৰ সদস্যসকলে কোটি কোটি জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে দিহা-পৰামৰ্শ আগবঢ়াই গৈছে।

বুদ্ধিদীপ্ত আৰু ব্যৱহাৰিক অভিজ্ঞতা, বলিদান, আশা আৰু আকাংক্ষাৰ পৰাই সংবিধানৰ জন্ম হোৱা বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে সংবিধানৰ আত্মাই ভাৰত যে ঐক্যবদ্ধ আৰু সদায় ঐক্যবদ্ধ হৈ থাকিব, সেয়া প্ৰতিপন্ন কৰিছে। শ্ৰীৰাধাকৃষ্ণণে লগতে সংবিধানৰ খচৰা প্ৰস্তুত কৰাৰ বাবে ড০ বি আৰ আম্বেদকাৰ, ড০ ৰাজেন্দ্ৰ প্ৰসাদ, এন গোপালস্বামী, আয়াংগাৰ, অল্লাদী কৃষ্ণস্বামী আয়াৰ আৰু অন্যান্যসকললৈ শ্ৰদ্ধা নিবেদন কৰে।

অনুষ্ঠানত ভাষণ দি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংবিধানৰ পথ প্ৰদৰ্শনত দেশ সু-শাসন আৰু আৰ্থ-সামাজিক উন্নয়নৰ পৰিৱৰ্তনকামী যাত্ৰাত ব্ৰতী হোৱা বুলি মন্তব্য কৰে। তেওঁ কয়, যে বিগত ৭ টা দশকত সংবিধানে সামাজিক ন্যায় আৰু সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ বাবে দেশত নীতি-নিৰ্দেশনা আৰু আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ গুৰি ধৰিছে। তেওঁ লগতে সংবিধান সভাৰ অধ্যক্ষ ড০ ৰাজেন্দ্ৰ প্ৰসাদলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে ড০ ভীমৰাও আম্বেদকাৰৰ লগতে সংবিধান সভাৰ বাকী সকস্যসকলক সংবিধানৰ প্ৰণেতা বুলি অভিহিত কৰে। তেওঁ কয়, যে এই সদস্যসকলৰ গভীৰ জ্ঞান, দূৰদৃষ্টি আৰু অক্লান্ত পৰিশ্ৰমৰ বলত এখন অতুলনীয় সংবিধান প্ৰস্তুত হৈছে আৰু সংবিধানখনে প্ৰতিগৰাকী নাগৰিকৰ বাবে ন্যায়, সমতা, সদ্ভাৱ আৰু সন্মান তথা মৰ্য্যাদা নিশ্চিত কৰিছে।

সংবিধান দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংবিধানৰ অসমীয়া, বড়ো, মালায়ালম, মাৰাঠী, নেপালী, পাঞ্জাৱী, কাশ্মিৰী, তেলেগু আৰু উড়িয়া ভাষালৈ অনুদিত সংস্কৰণ উন্মোচন কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেলেংগানাত ভাৰতীয় চাফৰাণ বিমান ইঞ্জিন সেৱা SAESIৰ শুভাৰম্ভ কৰে। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত বৰ্তমান বিমান সেৱাৰ গোলকীয় বজাৰত দ্ৰুতভাৱে আগবাঢ়ি যাবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে বিনিয়োগ, আধুনিক চিন্তা-ধাৰাপুষ্ট আৰু উৎপাদনৰ সৈতে জড়িত পদক্ষেপসমূহক মুক্তভাৱে আঁকোৱালি ল'বলৈ ভাৰত সদায় প্ৰস্তুত তথা উৎপাদনৰ সৈতে সংলগ্ন আঁচনিসমূহে আন্তৰ্জাতিক বহুজাতিক প্ৰতিষ্ঠানসমূহক আকৰ্ষণ কৰিবলৈ সমৰ্থৱান। প্ৰধানমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে, কেন্দ্ৰীয় চৰকাৰে বিগত বছৰসমূহত বিমান সেৱাৰ ক্ষেত্ৰখনত বহু সংস্কাৰ সাধন কৰিছে। এইসমূহৰ ভিতৰত SAESIই দেশখনক স্বনিৰ্ভৰশীল হোৱাত যথেষ্ট সহায় কৰিব। উল্লেখযোগ্য যে, এই সেৱাই এ থ্ৰি টুৱেণ্টি নিঅ' এয়াৰ বাছ সেৱা আৰু ব'য়িং চেভেন থ্ৰি চেভেন মেক্স বিমানৰ লিডিং এজ এভিয়েচন প্ৰপালচন লীপ ইঞ্জিনসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত যথেষ্ট সুবিধা প্ৰদান কৰিব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকী ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে লিডিং এজ এভিয়েচন প্ৰপালচন লীপ ইঞ্জিনসমূহৰ মেৰামতি আৰু আনুসংগিক সেৱা ব্যৱস্থাপনাৰ শুভাৰম্ভ কৰিছিল।

0000000

২৬ নবেম্বৰত সংঘটিত মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ আজি সপ্তদশ বৰ্ষপূৰ্তি। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দেশৰ জনসাধাৰণৰ সুৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ সৈনিকসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে কয়, যে ৰাষ্ট্ৰই আজিও সৈনিকসকলৰ চৰম বলিদানৰ কথা কৃতজ্ঞতাৰে স্মৰণ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে সকলো ধৰণৰ সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ বাবে আৰু অধিক শক্তিশালী তথা সমৃদ্ধিশালী বাৰত গঢ়াৰ সংকল্পৰে প্ৰগতিৰ পথত আগবাঢ়ি যাবলৈ আহ্বান জনায়।

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু গৃহ মন্ত্ৰী অমিত শ্বাহেও ২০০৮ চনত মুম্বাই আক্ৰমণত প্ৰাণ হেৰুওৱা সকলোলৈকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে সৈন্য বাহিনীসমূহৰ বলিদানে সকলোধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে দেশৰ যুঁজ শক্তিশালী কৰি আহিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে তেওঁৰ বাৰ্তাত কয়, যে সন্ত্ৰাসবাদ অকল এখন দেশৰ বাবেই নহয়, বৰং সমগ্ৰ মানৱ জাতিৰ বাবেই  অভিশাপ। সন্ত্ৰাসবাদৰ প্ৰতি চৰকাৰৰ শূন্য সহনশীলতাৰ নীতিৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে সমগ্ৰ বিশ্বই ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ শলাগ লৈছে আৰু ইয়াৰ প্ৰতি সমৰ্থন আগবঢ়াইছে।

০০০০০০০

ভাৰত-বাংলাদেশ সীমান্তৰ অসম সংলগ্ন ২৬৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ২২৮ দশমিক ৫-৪ কিলোমিটাৰ অংশত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। আজি অসম বিধানসভাৰ প্ৰশ্নোত্তৰ কালত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই কয়, যে ৰাজ্যখনৰ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি জিলাৰ সৈতে থকা আন্তৰ্জাতিক সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰা দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰীভূমি জিলাৰ কুচিয়াৰা নদীৰ পাৰত ভাৰতীয় লোকৰ বসতি থকা ৪ দশমিক ৩-৫ কিলোমিটাৰ অংশত বাংলাদেশৰ সীমান্তৰক্ষী বাহিনী পি জি বিৰ আপত্তিৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰা দিব পৰা হোৱা নাই। সীমান্তৰ নদী অঞ্চলসমূহত বি এছ্ এফে চি আই বি এম-এছ্ নামৰ বিশেষ প্ৰণালী আৰু নৌকা পৰ্য্যবেক্ষণ চকীৰে জলভাগৰ সীমান্ত নিৰীক্ষণ কৰি আহিছে। একেগৰাকী সদস্যৰ আন এটা প্ৰশ্নৰ উত্তৰত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী শ্ৰীবৰাই কয়, যে ২০২১ চনৰ পৰা এই বছৰৰ ৩১ অক্টোবৰলৈকে মুঠ ৩২ হাজাৰ ২০৭ গৰাকী বিদেশী নাগৰিকক চিনাক্ত কৰা হৈছে আৰু ইয়াৰে এহেজাৰ ৪১৬ জনক বহিষ্কাৰ কৰা হৈছে।০০০০০০০০

০০০০০০০

ৰাষ্ট্ৰীয় অপৰাধ অনুসন্ধান সংস্থা এন আই এই যোৱা ১০ নবেম্বৰত দিল্লীত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত এজন ব্যক্তিক আজি আটক কৰিছে। সংস্থাটোৱে জানিবলৈ দিয়া মতে, ব্যক্তিজনে ঘটনাৰ সৈতে জড়িত মুখ্য অভিযুক্ত ওমৰ উন নবী নামৰ ব্যক্তিজনক আশ্ৰয় দিছিল। চৈয়ব নামৰ এই অভিযুক্তজনে ওমৰক অভিযানৰ সৈতে জড়িত বিভিন্ন জটিল পদক্ষেপ সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰিছিল। উল্লেখযোগ্য যে, লালকিল্লাৰ সন্মুখত সংঘটিত এই বোমা বিস্ফোৰণৰ ঘটনাত বহুকেইজন লোকৰ মৃত্যু হোৱাৰ লগতে অনেকজন আহত হৈছিল।

০০০০০০০

ভিয়েটনামৰ কেন্দ্ৰীয় অঞ্চলত প্ৰৱল বৰষুণ আৰু বানপানীৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৮ জনলৈ বৃদ্ধি পোৱাৰ লগতে বৰ্তমানলৈকে ১০ জন ব্যক্তি নিখোজ হৈ আছে। দেশখনৰ দুৰ্য্যোগ ব্যৱস্থাপনা আৰু মথাউৰি ব্যৱস্থাপনা প্ৰাধিকৰণে জানিবলৈ দিয়া মতে, এই দুৰ্য্যোগৰ ফলত দুহেজাৰতকৈও অধিক আৱাসগৃহ সম্পূৰ্ণৰূপে ধ্বংস হৈছে। ইয়াৰ লগতে ৫১ হাজাৰ ৮০০ হেক্টৰ কৃষিভূমিৰ ধান আৰু আন কৃষি লোকচান হৈছে আৰু ৯ লাখ ২০ হাজাৰ ৮০০ পোহনীয়া জীৱ-জন্তু ইতিমধ্যে মৃত্যুমুখত পৰিছে।

oooooooo

সমাপ্ত